আমাৰ অসম
গুৱাহাটী, শুকুৰবাৰ ■ ১ জেঠ, ১৯৪৭ শক ■ ১৬ মে’ ২০২৫

# দিছপুৰ কলেজত নাগৰিক সতৰ্কতামূলক ‘মকড্ৰিল’

‘আমাৰ অসম’ৰ মহানগৰ সংবাদ, ১৫ মে’ ঃ দিছপুৰ মহাবিদ্যালয়ত অসামৰিক প্ৰতিৰক্ষা সঞ্চালকালয়, অসমৰ সহযোগত আৰু গণেশগুৰি ৰঙালী বিহু সন্মিলন, গণেশগুৰি ক্ৰীড়া আৰু সাংস্কৃতিক যুৱ ক্লাব, গোপাল বড়ো এইচ. স্কুল, বৃহত্তৰ গণেশগুৰি চেম্বাৰছ অৱ কমাৰ্চ আৰু বৃহত্তৰ গণেশগুৰি কমাৰ্চিয়েল এছ’চিয়েচনৰ উদ্যোগত বৃহস্পতিবাৰে গুৱাহাটীৰ গণেশগুৰিৰ গোপাল বড়ো ফিল্ডত “যুদ্ধৰ সময়ত সতৰ্কতামূলক ব্যৱস্থা” বিষয়ক ম’ক ড্ৰিলৰ আয়োজন কৰা হয়। দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাৰ উদ্যোগত আয়োজিত এই অনুশীলনৰ উদ্দেশ্য আছিল বৃহত্তৰ গণেশগুৰি অঞ্চলৰ ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীৰ লগতে সকলো আগ্ৰহী সাধাৰণ নাগৰিকক যুদ্ধ আৰু অন্যান্য জৰুৰী পৰিস্থিতিৰ সময়ত গ্ৰহণ কৰিবলগীয়া জীৱন ৰক্ষাৰ প্ৰয়োজনীয় ব্যৱস্থা আৰু কৌশলেৰে সজ্জিত কৰা। মহাবিদ্যালয়খনৰ এন.চি.চি কেডেট আৰু এন.এছ.এছ স্বেচ্ছাসেৱককে ধৰি দুশৰো অধিক ছাত্ৰ-ছাত্ৰীৰ লগতে অঞ্চলটোৰ বহু সংখ্যক স্থানীয় লোকে এই অনুশীলনত অংশগ্ৰহণ কৰে যিয়ে বিমান আক্ৰমণৰ দ্বাৰা আহ্বান জনোৱা জৰুৰীকালীন পৰিস্থিতিৰ সময়ত হতাহতৰ সংখ্যা কম কৰা আৰু সামগ্ৰিক ক্ষতি হ্ৰাস কৰাত গুৰুত্ব আৰোপ কৰে।